# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-OCT-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১। জুবিন গাৰ্গৰ স্থায়ী সমাধি নিৰ্মাণৰ বাবে লোকনিৰ্মাণ বিভাগক দায়িত্ব অৰ্পণ। শিল্পীগৰাকীৰ মৃত্যুৰ বিচাৰ প্ৰক্ৰিয়া ফাষ্টট্ৰেক আদালতত চলিব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত অহা ২১ অক্টোবৰত ছিংগাপুৰ আৰক্ষীৰ সৈতে এছ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত অসম আৰক্ষী দলৰ বৈঠক।

৩। ঝুমইৰ বিনন্দিনীত অংশগ্ৰহণকাৰী শিল্পী, প্ৰশিক্ষক আৰু বিশেষজ্ঞ সমিতিৰ সদস্যসকলক আজি প্ৰশংসা-পত্ৰ আৰু মাননী প্ৰদান।

৪। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ ফলাফল ঘোষণা। *আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি বাংলাদেশৰ অষ্ট্ৰেলিয়াক জয়ৰ বাবে ১৯৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

ৰাজ্য চৰকাৰে শিল্পী জুবিন গাৰ্গৰ স্থায়ী সমাধি নিৰ্মাণৰ বাবে পদক্ষেপ লৈছে। লোকনিৰ্মাণ বিভাগক সমাধি প্ৰকল্প নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰা হৈছে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। এখন বিশেষ সমিতিয়ে সমাধি প্ৰকল্পত অনুমোদন জনাব বুলি উল্লেখ কৰি তেওঁ কয়, যে এই সমিতিত শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গ প্ৰমুখ্যে ১১ জন ব্যক্তি আছে। ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ বিচাৰ প্ৰক্ৰিয়া ফাষ্টট্ৰেক আদালতত চলিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ লগতে নৱেম্বৰত গোচৰৰ অভিযোগনামা দাখিল কৰা হ'ব বুলি উল্লেখ কৰে। ড০ শৰ্মাই কয়, যে বিচাৰৰ বাবে বিশেষ চৰকাৰী অধিবক্তাক নিয়োগ কৰা হ'ব আৰু পৰৱৰ্তী সময়ত চৰকাৰী অধিবক্তাৰ নাম ঘোষণা কৰা হ'ব। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজন ব্যক্তিক বাক্সা জিলাৰ কাৰাগাৰলৈ প্ৰেৰণ সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয়, যে নিৰাপত্তাৰ স্বাৰ্থতহে তেওঁলোকক বাক্সাৰ কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছে। সেই কাৰাগাৰত অভিযুক্তসকলৰ বাবে কোনোধৰণৰ বিশেষ সুবিধা নাই বুলিও তেওঁ উল্লেখ কৰে।

মন্ত্ৰীসভাৰ বৈঠকত আজি অহা ডিচেম্বৰত নামৰূপ সাৰ কাৰখানাৰ আধাৰশিলা স্থাপনত অনুমোদন জনোৱা হয়। তদুপৰি ৰাজ্য চৰকাৰৰ পেঞ্চনাৰ আৰু কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৫০ শতাংশলৈ বৃদ্ধিত অনুমোদন জনোৱা হয়।

ooooo

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত অহা ২১ অক্টোবৰত ছিংগাপুৰ আৰক্ষীয়ে ৰাজ্যৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান আৰু এছ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত অসম আৰক্ষী দলৰ সৈতে বৈঠকত মিলিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি জুবিন গাৰ্গৰ ন্যায়ৰ দিশত এয়া গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰে। শ্ৰী গুপ্তাই সাংবাদিকৰ আগত প্ৰকাশ কৰি কয়, যে ছিংগাপুৰ প্ৰশাসনে

তেওঁলোকৰ সৈতে যোগাযোগ কৰিছে আৰু ২১ অক্টোবৰত আমন্ত্ৰণ জনাইছে। ছিংগাপুৰৰ ঘটনাস্থলীত তদন্ত কৰাৰ বাবে শ্ৰী গুপ্তাৰ লগতে অসম আৰক্ষীৰ আৰু এগৰাকী বিষয়া ঘটনা স্থলীলৈ যাব বুলি তেওঁ উল্লেখ কৰে।

*(বাইট ঃ গুপ্তা)*

ছিংগাপুৰত শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা তিনিগৰাকী প্ৰবাসী অসমীয়াৰ কালি এছ আই টিয়ে ভাষ্য গ্ৰহণ কৰাৰ পাছত আজি কামৰূপ মহানগৰ জিলাৰ ন্যায়িক দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লোৱা হ'ব। এতিয়ালৈকে ছিংগাপুৰৰ ১১ গৰাকী প্ৰবাসী অসমীয়াই এছ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ন্যায়িক জিম্মা লাভ কৰা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক কালি বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনাৰ পাছত মাজনিশা ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। বাক্সা জিলা কাৰাগাৰত আজি কিছুসময় পূৰ্বে ৰাজ্যৰ গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰী আৰু বিটিএডিৰ উপ-আৰক্ষী মহাপৰিদৰ্শক বিবেক ৰাজ সিঙৰ উপস্থিতিত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত আইন শৃংখলা শাখাৰ মহিপৰিদৰ্শক অখিলেশ সিঙো উপস্থিত থাকে। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীসিঙে অঞ্চলটোৰ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিছে বুলি উল্লেখ কৰে। কালি চৰকাৰী সা-সম্পত্তি নষ্ট কৰা লোকসকলৰ বিৰুদ্ধে ভিডিঅ' ফুটেজ চাই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

*(বাইট)*

জিলাখনত সান্ধ্য আইন অব্যাহত আছে আৰু জিলা কাৰাগাৰৰ সন্মুখভাগত আৰক্ষী, অৰ্ধসামৰিক বাহিনী আৰু ৰেপিড এক্সন ফোৰ্ছ নিয়োগ কৰা হৈছে। জিলা কাৰাগাৰৰ ৫০০ মিটাৰ ব্যাখাৰ্ধৰ ভিতৰত সাধাৰণ লোকৰ আহ-যাহ নিষিদ্ধ কৰাৰ লগতে কাৰাগাৰৰ সন্মুখৰ মূল পথেৰে ৰাইজৰ আহ-যাব বন্ধ কৰা হৈছে। অৱেশ্য সেই ঠাইৰ স্থায়ী বাসিন্দা হ'লে উপযুক্ত কাৰণ দৰ্শাই আহ-যাহ কৰিবলৈ দিয়া হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ন্যায় প্ৰদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দিষ্ট সময়ৰ প্ৰয়োজন বুলি উল্লেখ কৰি জনসাধাৰণক ন্যায় ব্যৱস্থাৰ ওপৰত আস্থা ৰাখিবলৈ তেওঁ আহ্বান জনায়। নতুন দিল্লীত ছিংগাপুৰৰ উপ-উচ্চায়ুক্ত এলিছ চেঙৰ সৈতে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আলোচনা কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে কালি বাক্সাত সৃষ্টি হোৱা পৰিস্থিতি অতি দুখজনক বুলিও কয়।

০০০০০

অসমত ৰে'ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে'ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৮ অক্টোবৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজং, সাংবাদিক ত্ৰিদীপ লহকৰ আৰু অসম ৰে'লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল সেৱাৰ সাম্প্ৰতিক অৱস্থা সম্পৰ্কত আলোচনা কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত ঝুমইৰ বিনন্দিনীত অংশগ্ৰহণকাৰী শিল্পী, প্ৰশিক্ষক আৰু বিশেষজ্ঞ সমিতিৰ সদস্যসকলক প্ৰশংসা-পত্ৰ আৰু মাননী প্ৰদান কৰে। এই শিল্পীসকলে যোৱা ২৪ ফেব্ৰুৱাৰীত অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ঝুমইৰ বিনন্দিনীত অংশ লৈছিল। আজিৰ অনুষ্ঠানত ২৪ খন জিলাৰ বিশেষজ্ঞ সমিতিৰ সদস্যসকলক ৫০ হাজাৰ টকাকৈ আৰু প্ৰশিক্ষক তথা শিল্পীসকলক ২৫ হাজাৰ টকাকৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰযোগে ধনৰাশি প্ৰদান কৰা হয়। বৰাক উপত্যকাৰ ৩ খন জিলাৰ শিল্পীসকলক পৰৱৰ্তী পৰ্যায়ত সন্মানিত কৰা হ'ব। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চাহ বাগিচা অঞ্চলত অহা জানুৱাৰীত এশখন নতুন হাইস্কুল স্থাপন কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ

কয়, যে ৰাজ্য চৰকাৰে চিকিৎসা মহাবিদ্যালয়ত ৩০ খন আসন চাহ বাগিচা তথা আদিবাসীলোকৰ বাবে সংৰক্ষণ কৰাৰ লগতে তৃতীয় আৰু চতুৰ্থবৰ্গৰ পৰীক্ষাতো চাহ জনগোষ্ঠীৰ লোকসকলৰ বাবে ৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

**ৰাইট (চি এম)**

আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ৰাজ্যৰ ৩০ খন জিলাৰ চাহ বাগিচাৰ লগতে ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহত স্বাস্থ্য সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে ৮০ খন সঞ্জীৱনী বাহন মুকলি কৰে। অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাকে ধৰি কেইবাগৰাকী সাংসদ আৰু বিধায়ক উপস্থিত থাকে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হৈছে। সেই অনুসৰি গুৱাহাটীৰ নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী নিষ্ঠা বৰগোহাঁইয়ে এই প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছে। গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই দ্বিতীয় স্থান লাভ কৰিছে। যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অন্বেষা ফুকন আৰু গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ ৰোহিত গাঁওখোৱাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। বিজয়ী প্ৰতিযোগীসকলে তেওঁলোকৰ নিজ নিজ শিক্ষানুষ্ঠান আৰু  অধ্যয়ন কৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ দাখিল কৰি পুৰস্কাৰ গ্ৰহণ কৰিব পাৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰত হ'বলগীয়া পুৰস্কাৰ বিতৰণ অনুষ্ঠানৰ তাৰিখ আৰু সময় দুই-এদিনতে প্ৰকাশ কৰা হ'ব। পুৰস্কাৰ ৰূপত প্ৰথম তিনিটা স্থান লাভ কৰা আটাইকেইগৰাকী বিজয়ী প্ৰতিযোগিয়ে একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ আৰু এটাকৈ ৰেডিঅ'ছেট লাভ কৰিব। আজিৰ বাতৰিত আমি প্ৰথম স্থান বিজয়ী নিষ্ঠা বৰগোহাঁয়ে পঢ়া বাতৰিৰ অংশ প্ৰচাৰ কৰিবলৈ লৈছোঁ। ***(বাইট ঃ নিষ্ঠা)***

০০০০০

অসম চৰকাৰে ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিক সামৰি ৰূপায়ণ কৰা **শুশ্ৰূষা সেতু** শীৰ্ষক কাৰ্যসূচীৰ অধীনত আজি ৰাজ্যৰ ১১টা বিধানসভা সমষ্টিত বৃহৎ স্বাস্থ্য শিবিৰ মুকলি কৰা হয়।

**হোজাই** জিলাৰ লংকা স্বাস্থ্য বিভাগৰ উদ্যোগত আজি লামডিং বিধানসভা সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। শিবিৰত বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা শিশু আৰু কিশোৰ-কিশোৰীৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰি ঔষধ যোগান ধৰা হয়।

**গোৱালপাৰা** জিলা প্ৰশাসনৰ উদ্যোগত আগিয়াৰ জে এন মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত কৰা বৃহৎ স্বাস্থ্য শিবিৰত ১৮ বছৰ তলৰ শিশু আৰু বহুকেইখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই উদ্বোধন এই শিবিৰত গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ লগতে স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

**দৰং** জিলাৰ মঙলদৈৰ দাহি বালিকা বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ত আজি দ্বিতীয়টো স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত গুৱাহাটী আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ২১ গৰাকী বিশেষজ্ঞ চিকিৎসককে ধৰি ৫১ গৰাকী চিকিৎসকে বিভিন্ন ৰোগ চিনাক্তকৰণৰ বাবে বিনামূলীয়া চিকিৎসা প্ৰদান কৰে। জিলাখনৰ তৃতীয় তথা অন্তিমটো শিবিৰ ছিপাঝাৰ সমষ্টিৰ বাবে মুকলি কৰা হ'ব।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলা প্ৰশাসনে যোৱা ৯ অক্টোবৰত অসম-মেঘালয় সীমান্তৰ তাপাতত সংঘটিত সংঘৰ্ষত নিহত অৰিৱেল তিমুৰ মৃত্যুৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছে। পশ্চিম কাৰ্বি আংলঙৰ অতিৰিক্ত জিলা দণ্ডাধীশ

হিমাদ্ৰী শেখৰ বৰদলৈয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি, কাইলৈ খান্দুলিস্থিত সীমান্ত পহৰাচকীত এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰা হ'ব। কোনো ব্যক্তি, সংগঠন বা বেচৰকাৰী সংস্থাই এই সন্দৰ্ভত যিকোনো তথ্য-প্ৰমাণ বা নথি লিখিতভাৱে দাখিল কৰিব পাৰিব। পুৱা ১১ বজাত এই প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

ooooo

মিচিং জনগোষ্ঠীৰ লোকসকলৰ শৈক্ষিক তথা সামাজিক উত্তৰণৰ লক্ষ্যৰে প্ৰতিষ্ঠা লাভ কৰা ছাত্ৰ সংগঠন টিএমপিকেৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি জনগোষ্ঠীটোৰ বসতিপ্ৰধান বিভিন্ন অঞ্চলত উদযাপন কৰা হয়। গোলাঘাট জিলাৰ বোকাখাট সমষ্টিৰ পাণবাৰী গ্ৰাম্য ক্ৰীড়া সংস্থাৰ খেলপথাৰত এই দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানতে মিচিং ক্ৰীড়া সমাৰোহৰ বাবে খেলুৱৈ বাচনি শিবিৰো অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত মন্ত্ৰী অতুল বৰাৰ লগতে টি এম পি কেৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

ধেমাজি জিলাৰ চিলাপথাৰতো আজি সংগঠনটোৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন, ছহিদ তৰ্পণ, আলোচনা সভা আৰু ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। তদুপৰি গুমৰাগ নৃত্যৰে মিচিং ডেকা-গাভৰুসকলে পৰিৱেশ জীপাল কৰি তোলে।

ooooo

গুৱাহাটীৰ আমিনগাঁৱৰ বায়'টেক পাৰ্কত নব্য চিন্তাৰ উন্মেষ, উদ্ভাৱকৰ সৰলীকৰণ শীৰ্ষক এটা শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে উত্তৰ-পূবৰ কেইবাগৰাকীও উদ্যোগী, ষ্টাৰ্টআপ পৰামৰ্শ দাতা আৰু শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত বায়'টেক পাৰ্কৰ মুখ্য কাৰ্যবাহী বিষয়া তথা কামৰূপ জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰ, অসম ষ্টাৰ্টআপ দ্যা নেষ্টৰ মুখ্য কাৰ্যবাহী বিষয়া ওমকাৰ নাথ ৰথ আৰু গুৱাহাটী বায়'টেক পাৰ্কৰ প্ৰশাসক ৰাকেশ কুমাৰ ঠাকুৰৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। এই শিবিৰত জ্ঞান অন্বেষণৰ বাবে কেইবাখনো অধিৱেশন অনুষ্ঠিত হয়।

ooooo

কাতি বিহু উপলক্ষে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধীনৰ সকলো চৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠান অহা ১৮ অক্টোবৰত বন্ধ ঘোষণা কৰা হৈছে। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য সচিবে আজি এটা নিৰ্দেশযোগে এইকথা ঘোষণা কৰে।

ooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত বাংলাদেশে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ১৯৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯৮ ৰান সংগ্ৰহ কৰে। দলৰ হৈ শোভনা মস্তেৰীয়ে সৰ্বাধিক ৬৬ আৰু ৰুবিয়া হাইদৰে ৪৪ ৰান কৰে। অষ্ট্ৰেলিয়াৰ এছলে গাৰ্ডনাৰ, এনাবেল ছুথাৰলেণ্ড, এলানা কিং আৰু জৰ্জিয়া ৱেৰহেমে দুটাকৈ উইকেট লাভ কৰে।

ooooo

সমাপ্ত